**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**HEADLINES**

১। অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন কাইলৈ আৰম্ভ। অধিবেশনত নৱনিৰ্বাচিত সদস্যসকলৰ শপতগ্ৰহণ।

২। ৰাজ্যত অপৰিৱৰ্তিত বান পৰিস্থিতি। ১২ খন জিলাৰ ৩৩টা ৰাজহ চক্ৰৰ এহেজাৰৰো অধিক গাঁও বানৰ কবলত।

৩। দেশৰ বান পৰিস্থিতি সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ নতুন দিল্লীত আজি উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠক।

৪। অম্বুবাচী মেলাৰ আজি দ্বিতীয়টো দিন। দেশী-বিদেশী ভক্তৰ সমাগমেৰে নীলাচল পাহাৰত উখল-মাখল পৰিৱেশ।

**আৰু**

৫। আই চি চি, টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত বাংলাদেশক ভাৰতৰ ৫০ ৰানত পৰাস্ত।

0000000

অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন কাইলৈ আৰম্ভ হ'ব। এই অধিবেশনত নৱনিৰ্বাচিত সদস্যসকলে শপতগ্ৰহণ কৰিব। অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰা বি জে পিৰ জ্যেষ্ঠ সাংসদ ভৰ্তৃহৰি মহতাবে লোকসভাৰ নৱনিৰ্বাচিত সাংসদসকলক শপতবাক্য পাঠ কৰোৱাব। লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন ২৬ জুনত অনুষ্ঠিত হ'ব। আনহাতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ২৭ জুনত লোকসভা আৰু ৰাজ্যসভাৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাজ্যসভাৰ অধিবেশন ২৭ জুনত আৰম্ভ হ'ব। ৩ জুলাইত সংসদৰ অধিবেশনৰ সামৰণি পৰিব।

0000000

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই কালি নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ক সাক্ষাৎ কৰে। আলোচনাৰ অন্তত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে কয় যে, দুয়োখন দেশৰ মাজৰ নিয়মীয়া আলোচনাই ১৯৭১ চনৰ বাংলাদেশৰ মুক্তি সংগ্ৰামেৰে আৰম্ভ হোৱা মৈত্ৰী আৰু সহযোগিতাৰ যাত্ৰাকে প্ৰতিফলিত কৰে। তেওঁ কয় যে, ভাৰত আৰু বাংলাদেশে বিভিন্ন ক্ষেত্ৰত পাৰস্পৰিক সহযোগিতা সুদৃঢ় কৰাৰ দিশত ক্ষিপ্ৰতাৰে আগবাঢ়িছে আৰু নতুন খণ্ডত সহযোগিতা গঢ়ি তুলিছে। ইয়াৰ ফলত ভাৰত আৰু বাংলাদেশৰ মিত্ৰতাৰ নতুন ভৱিষ্যৎ আৰম্ভ হ'ব বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে। বৈঠকত দুয়োগৰাকী নেতাই অৰ্থনৈতিক সম্পৰ্ক, উন্নয়নমূলক সহযোগিতা, প্ৰতিৰক্ষা সহযোগিতা, শক্তি, সুৰক্ষা আৰু যোগাযোগকে ধৰি সকলো ক্ষেত্ৰত সম্পৰ্ক সুদৃঢ় কৰিবলৈ সন্মতি প্ৰকাশ কৰে।

আনহাতে, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কয় যে, দুয়োপক্ষই উভয় দেশৰ মাজত গভীৰভাৱে শিপাই থকা ঐতিহাসিক সম্পৰ্কত গুৰুত্ব আৰোপ কৰি আহিছে আৰু দেশ দুখনৰ বিভিন্ন বিষয়ত দৃষ্টিভংগীও একে ধৰণৰ। এই বিষয়সমূহৰ ভিতৰত অৰ্থনৈতিক আৰু উন্নয়নমূলক সহযোগিতা, আঞ্চলিক যোগাযোগ, সেউজ শক্তি, ডিজিটীয় প্ৰসাৰ আৰু মহাকাশ ক্ষেত্ৰৰ সহযোগিতা অন্যতম।

০০০০০০০

বিগত কিছুদিন ধৰি ৰাজ্যত ধাৰাষাৰ বৰষুণৰ পাছত বতৰ ফৰকাল হৈছে যদিও ৰাজ্যৰ কেইখনো জিলাত বান পৰিস্থিতি জটিল হৈ আছে। কপিলী আৰু কুশিয়াৰাৰ লগতে কেইবাখনো নৈৰ জলপৃষ্ঠ বিপদ সীমাৰ ওপৰত আছে। শেহতীয়া তথ্য অনুসৰি ১২খন জিলাৰ ৩৩ টা ৰাজহ চক্ৰৰ এহেজাৰৰো অধিক গাঁওঁ বানৰ কবলত আছে। এই বানত ৰাজ্যৰ ৩লাখ ৫৩হাজাৰৰো অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে স্থাপন কৰা ১২০টা আশ্ৰয় শিবিৰত ১৫ হাজাৰৰো অধিক লোক আশ্ৰয় লৈ আছে। আনহাতে ১২৫ টা সাহায্য বিতৰণ কেন্দ্ৰত অত্যাৱশ্যকীয় সামগ্ৰী বিতৰণ কৰি থকা হৈছে। ইফালে ৰাজ্যৰ জলসম্পদ তথা কৰিমগঞ্জ জিলাৰ অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকাই আজি জিলাখনৰ নদী খহনীয়া আৰু বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিব। মন্ত্ৰীগৰাকীয়ে বিয়লিলৈ বৰ্তমানৰ বান পৰিস্থিতিৰ বিষয়ে জিলাখনৰ প্ৰশাসনীয় বিষয়াসকলৰ সৈতে বিভাগীয় বিষয়াসকলৰ লগতো পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰিব। কাইলৈ তেওঁ কৰিমগঞ্জৰ লগতে কাছাৰ জিলাৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন কৰিব।

০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি দেশৰ বান পৰিস্থিতিৰ জোৰা মৰাৰ বাবে কৰা প্ৰস্তুতিৰ বুজ ল'বলৈ এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হ'ব। শ্ৰীশ্বাহৰ পৌৰহিত্যৰ এই বৈঠকখন আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব।

০০০০০০০

ৰাজ্যৰ ৫টা বিধানসভা সমষ্টিত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশে সমিতি গঠন কৰিছে। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই কালি সমিতিৰ সদস্যসকলৰ নাম প্ৰকাশ কৰিছে। সেই অনুসৰি দলৰ ৰাজ্যিক সাধাৰণ সম্পাদক দিপ্লু ৰঞ্জন শৰ্মাক উপ-নিৰ্বাচন সমিতিৰ আহ্বায়ক হিচাপে নিযুক্তি দিয়া হৈছে। ছিদলি বিধানসভা সমষ্টিৰ বাবে বিধায়ক অজয় ৰায়, বি টি আৰৰ কাৰ্যবাহী সদস্য ৰাজীৱ ব্ৰহ্ম আৰু বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বিভূতি বৰগয়াৰীক দায়িত্ব দিয়া হৈছে। বঙাইগাঁও বিধানসভা সমষ্টিৰ বাবে ৰাজ্যিক বিজেপিৰ অবিচি মৰ্চাৰ অশ্বিনী ৰায় সৰকাৰ, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য বনদীপ ডেকা আৰু বি টি আৰৰ কাৰ্যবাহী সদস্য অৰূপ দে'ক দায়িত্ব দিয়া হৈছে। বিধায়ক জিতু গোস্বামী, বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক অনিল শইকীয়া আৰু মহেন্দ্ৰ কোঁৱৰক চামগুৰি বিধানসভা সমষ্টিৰ দায়িত্ব দিয়া হৈছে। একেদৰে ধলাই বিধানসভা সমষ্টিৰ বাবে বিধায়ক কৌশিক ৰায়, দলৰ ৰাজ্যিক সম্পাদক কনাদ পুৰকায়স্থ আৰু কাছাৰ জিলা বিজেপিৰ সাধাৰণ সম্পাদক শশাংক পালক দায়িত্ব দিয়া হৈছে। বিহালি বিধানসভা সমষ্টিৰ বাবে ৰাজ্যিক বিজেপিৰ চাহ জনগোষ্ঠী মৰ্চাৰ সভাপতি দুলেন নায়কৰ লগতে বিধায়কদ্বয় দিগন্ত কলিতা আৰু ভূবন পেগুক দায়িত্ব দিছে ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই।

ইপিনে কেন্দ্ৰীয় মন্ত্ৰীসভাত স্থান লাভ কৰা সৰ্বানন্দ সোণোৱাল আৰু পবিত্ৰ মাৰ্ঘেৰিটাসহ বিজেপিৰ নৱনিৰ্বাচিত সাংসদসকলক কালি বাজপেয়ী ভৱনত সম্বৰ্ধনা জনোৱা হয়। এই সম্বৰ্ধনা অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ উচ্চ শিক্ষা বিভাগে স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ নামভৰ্তিৰ বাবে ব্যৱহাৰ কৰা সমৰ্থ পৰ্টেলত দেখা দিয়া বিসংগতিৰ বাবে স্নাতক শ্ৰেণীৰ নামভৰ্তিৰ নিৰ্ধাৰিত সময়সূচী পিছুৱাই দিছে। ৰাজ্যৰ বান পৰিস্থিতি আৰু প'ৰ্টেলৰ কাৰিকৰী অসুবিধাৰ বাবে এই সময়সূচী সলনি কৰিছে বুলি বিভাগটোৱে এটা বিবৃতিযোগে জনাইছে। এই অনুসৰি মহাবিদ্যালয়সমূহত প্ৰথম মেধাৰ তালিকাত স্থানপ্ৰাপ্তসকলে আজি নামভৰ্তি কৰিব পাৰিব। কাইলৈ আৰু পৰহিলৈ দ্বিতীয়খন প্ৰথম মেধাৰ তালিকা প্ৰকাশ কৰা হ'ব। ২৬, ২৭ আৰু ২৮ জুনত দ্বিতীয়খন মেধাৰ তালিকাৰ ভিত্তিত নামভৰ্তি কৰা হ'ব। অহা ২৯ জুন আৰু ১ জুলাইত মহাবিদ্যালয়সমূহত শিক্ষাৰ্থীসকলে পোনপটীয়াকৈ নামভৰ্তি কৰিব পাৰিব। অহা ৫ৰ পৰা ৮ জুলাইলৈ শৈক্ষিক অৰ্হতা পৰীক্ষা অনুষ্ঠিত কৰাৰ লগতে ৯ জুলাইত মেধাৰ ভিত্তিত প্ৰথমখন তালিকা প্ৰকাশ কৰা হ'ব। এই অনুসৰি অহা ১০ আৰু ১১ জুলাইত প্ৰথম মেধা ভিত্তিক তালিকাত স্থান পোৱা শিক্ষাৰ্থীৰ নামভৰ্তি কৰা হ'ব। ১২ জুলাইত দ্বিতীয়খন মেধা ভিত্তিক তালিকা প্ৰকাশ পাব আৰু ১৩ আৰু ১৫ জুলাইত এই তালিকাত স্থান পোৱাসকলৰ নামভৰ্তি কৰা হ'ব। ১৬ জুলাইত তৃতীয়খন মেধা ভিত্তিক তালিকা প্ৰকাশ পাব। অহা ১৭ আৰু ১৮ জুলাইত এই তালিকাত স্থানপ্ৰাপ্তসকলৰ নামভৰ্তি কৰা হ'ব। তেনেদৰে ১৯ আৰু ২০ জুলাইত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পোনপটীয়াকৈ নামভৰ্তি কৰিব পাৰিব। ২৯ৰ পৰা ৩১ জুলাইলৈকে চি ইউ ই টি বহিৰ্ভুত শিক্ষাৰ্থীৰ বাবে থিতাতে নামভৰ্তি কৰা হ'ব।

০০০০০০০

শক্তিপীঠ কামাখ্যা ধামত অম্বুবাচী মেলাৰ আজি দ্বিতীয় দিন। দেশী-বিদেশী, বিভিন্ন বেশ-ভূষাৰ সাধু,সন্নাসী তথা ভক্তৰ সমাগমেৰে কামাখ্যা মন্দিৰৰ চৌহদত উখল-মাখল পৰিবেশে বিৰাজ কৰিছে। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। কামাখ্যা মন্দিৰ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে অহা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পিৰ প্ৰৱেশ পত্ৰৰ ব্যৱস্থা ৰখা হোৱা নাই। একেদৰে ২৬ আৰু ২৭ জুনত বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ কেইদিন নিশা ৮ বজা পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব। অম্বুবাচী মেলাৰ বাবে প্ৰশাসনে ২৫ জুনৰ মাজ নিশালৈ গাড়ী-মটৰ চলাচলত বিশেষ নিৰ্দেশনা জাৰি কৰিছে। যান বাহন শাখাৰ উপায়ুক্তই জনোৱা মতে কেইবাটাও পথত যানবাহন চলাচলৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। তীৰ্থযাত্ৰী, ভক্ত, দিব্যাংগসকলৰ সুৰক্ষিত যাতায়াত নিশ্চিত কৰাৰ লগতে জৰুৰীকালীন সেৱাৰে জড়িত যান বাহনৰ চলাচল সুচল কৰাৰ বাবে এই বাধা আৰোপ কৰা হৈছে। অম্বুবাচী মেলাৰ সময়ছোৱাত নামনিৰ পৰা কামাখ্যা মন্দিৰলৈ উঠি যোৱা পথছোৱাত কোনো বাহন চলাচল কৰিব নোৱাৰিব। উল্লেখযোগ্য যে ভক্তসকল যাতে কোনোধৰণৰ অসুবিধাৰ সন্মুখীন নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু ঘাটত দুটাকৈ আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। তদুপৰি প্ৰশাসনৰ অনুমতি লাভ কৰা বিভিন্ন স্বেচ্ছাসৱী সংগঠনে ভক্তসকলক খাদ্য যোগান ধৰিছে। অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য

নিচাযুক্ত দ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। ইপিনে, কামৰূপ মহানগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে।

ooooooo

সামগ্ৰী আৰু সেৱাকৰ পৰিষদে তীখা, লো আৰু এলুমিনিয়ামেৰে নিৰ্মিত গাখীৰৰ সৰু পাত্ৰৰ ওপৰত ১২ শতাংশৰ সমহাৰৰ কৰ আৰোপ কৰাৰ পৰামৰ্শ আগবঢ়াইছে। নতুন দিল্লীত অনুষ্ঠিত সামগ্ৰী আৰু সেৱাকৰ পৰিষদৰ ৫৩ সংখ্যক বৈঠকৰ অন্তত কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা বতৰাত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে লগতে ভাৰতীয় ৰে'ল বিভাগে যাত্ৰীসকললৈ আগবঢ়োৱা প্লেটফৰ্ম টিকটৰ বিক্ৰী, জিৰণি কোঠা আৰু বেটাৰী চালিত সেৱাৰ লেখীয়া সুবিধাসমূহ জি এছ টি কৰৰ আঁওতাৰ বাহিৰত থাকিব বুলি ঘোষণা কৰে। তেওঁ কয় যে, জম্মু-কাশ্মীৰ আৰু হিমাচল প্ৰদেশৰ আপেল খেতিয়কসকলক উপকৃত কৰাৰ উদ্দেশ্যে পৰিষদে সকলো ধৰণৰ কাৰ্টন আৰু ভাঁজ খোৱা আৰু ভাঁজ নোখোৱা দুয়োধৰণৰ পেপাৰ বোৰ্ডৰ বাকচৰ ওপৰত আৰোপিত জি এছ টি হাৰ ১২ শতাংশলৈ হ্ৰাস কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ooooooo

অসম কৃষি বিশ্ববিদ্যালয়ৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তিৰ বাবে অহা ২৯ আৰু ৩০ জুনত প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত হ'ব। বিষদ তথ্যৰ বাবে প্ৰাৰ্থীসকলে ASSAM AGRYCULTURAL UNIVERSITY @WWW.AAU.AC.IN ৱেব ছাইট চাব পাৰে।

oooooooo

গুৱাহাটী বিশ্ববিদ্যালয়ে চতুৰ্থ চক্ৰৰ মূল্যায়ন আৰু স্বীকৃতি প্ৰদানৰ বাবে আহিবলগীয়া ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদক আদৰিবলৈ সাজু হৈছে। বিশ্ববিদ্যায়খনৰ মূল্যায়নৰ বাবে অহা ২৬ৰ পৰা ২৮ জুনলৈকে ৰাষ্ট্ৰীয় মূল্যায়ন আৰু স্বীকৃতি পৰিষদৰ দলটোৱে বিশ্ববিদ্যালয়ৰ যাৱতীয় কাৰ্যকলাপ সম্বন্ধে নিৰীক্ষণ কৰিব। প্ৰতিটো বিভাগৰে ছাত্ৰ-ছাত্ৰীৰ লগতে দলটোৱে শৈক্ষিক দিশৰ বিষয়েও পৰিদৰ্শন কৰিব। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ প্ৰতাপজ্যোতি সন্দিকৈয়ে মূল্যায়নৰ সময়ছোৱাত বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট সকলোকে সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

oooooooo

যোৰহাট আৰক্ষী অধীক্ষকৰ উদ্যোগত মহিলা আৰক্ষী সকলৰ বাবে কেন্সাৰ ৰোগৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে যোৰহাটত এখন পৰ্যালোচনা সভাৰ আয়োজন কৰা হয়। যোৰহাটৰ কেন্সাৰ কেয়াৰ চেণ্টাৰৰ সহযোগত মহিলা আৰক্ষীসকলৰ বাবে ক্লিনিকেল টেষ্টৰ ব্যৱস্থাৰ লগতে চিকিৎসকৰ সৈতে কেন্সাৰ ৰোগ সম্বন্ধে বিভিন্ন পৰামৰ্শও গ্ৰহণ কৰে।

ooooooo

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি অষ্ট্ৰেলিয়া আৰু আফগানিস্তানৰ মাজত খেল অনুষ্ঠিত হৈছে। অষ্ট্ৰেলিয়াই টছত জিকি আফগানিস্তানক প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ জনায়। আফগানিস্তানে

নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই অষ্ট্ৰেলিয়াক ১৪৯ ৰানৰ লক্ষ্য বান্ধি দিয়ে। আমালৈ বাতৰি অহা পৰলৈকে অষ্ট্ৰেলিয়াই ১৩ অভাৰত ৫ টা উইকেট হেৰুৱাই ৮৫ ৰান কৰি খেলি আছে।

ইপিনে ভাৰতে যোৱানিশা এন্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিছাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ-এইট পৰ্যায়ৰ এখন খেলত বাংলাদেশক ৫০ ৰানত পৰাস্ত কৰে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেটৰ বিনিময়ত ১৯৫ ৰান কৰে। ভাৰতৰ হৈ হাৰ্দিক পাণ্ডিয়াই ২৭টা বলত ৫০ ৰান কৰাৰ বিপৰীতে বিৰাট কোহলিয়ে ২৮টা বলত ৩৭ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত বাংলাদেশে ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৪৬ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ কম বলত অৰ্ধশতক অৰ্জন কৰাৰ লগতে এটা উইকেট দখল কৰা হাৰ্দিক পাণ্ডিয়াক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

oooooooo

## *News Paper Review*

নীট-ইউজি আৰু ইউজিচি নেট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল আৰু অনিয়মৰ অভিযোগৰ পাছত চৰকাৰে ৰাজহুৱা পৰীক্ষা অসৎ উপায় অৱলম্বন আইন-২০২৪ কালিৰে পৰা প্ৰযোজ্য হোৱা বলবৎ কৰাৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰশ্নকাকত ফাদিল-অসৎ উপায় প্ৰৱঞ্চনা ৰোধৰ লক্ষ্য-দেশজুৰি বলবৎ নতুন পৰীক্ষা আইন শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতেও প্ৰশ্নকাকত ফাদিল কৰিলে পাঁচ বছৰ জেল, দহ লাখ জৰিমনা শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে। আনহাতে, নীট ইউজিত পৰীক্ষাৰ অনিময়মৰ সৈতে জড়িত থকাৰ সন্দেহত কালিও ৬জন লোকক গ্ৰেপ্তাৰ কৰাৰ বাতৰিটো **আমাৰ অসম** কাকতে ১৯টা খলনায়কক গ্ৰেপ্তাৰ এনটিএৰ মুৰববী অপসাৰিত শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে। শক্তিপীঠ কামাখ্য ধামত কালিৰেপৰা অনুষ্ঠিত অম্বুবাচী মেলাৰ বাতৰি **দৈনিক অসম** কাকতে নীলাচলত দেশী-বিদেশী ভক্ত দৰ্শনাৰ্থীৰ ভিৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাৰ মাজৰ আলাচনাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে ভাৰত-বাংলাদেশৰ মাজত ১০খন চুক্তি স্বাক্ষৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটো **The Assam Tribune** কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে। APDCL য়ে বিদ্যুৎ যোগান ব্যাহত হোৱাতো ৰোধ কৰাৰ বাবে নতুন প্ৰকল্প আৰম্ভ কৰিব বুলি এটা বাতৰি **The Sentinel** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। জলসম্পদ মন্ত্ৰী পিয়ুষ হাজৰিকাই কামৰূপ দৰঙৰ বান খহনীয়াৰ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ বাতৰি **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। কেন্দ্ৰীয় চৰকাৰৰ বিষয়া-কৰ্মচাৰীসকলৰ বাবে বায়'মেট্ৰিক ব্যৱস্থা বাধ্যতামূলক কৰাৰ বাবে দিয়া কঠোৰ নিৰ্দেশনা বাতৰি **দৈনিক অগ্ৰদূত কাকতে** কাৰ্যালয় প্ৰৱেশত এক মিনিট পলম হ'লেই আধা দিনৰ নৈমিত্তিক ছুটী শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ অন্যান্য বাতৰিৰ ভিতৰত আছে -জিএমচিএইচৰ অধ্যক্ষ, অধীক্ষকসহ বিষয়াবৰ্গৰে কাম-কাজৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ, স্নাতক আৰু স্নাতককোত্তৰ শ্ৰেণীৰ নামভৰ্তিৰ সূচী সলনি ৰাজ্যৰ উচ্চ শিক্ষা বিভাগৰ,ৰাজ্যৰ চাৰিখন ফাৰ্মাচী প্ৰতিষ্ঠানৰ স্বীকৃতি বাতিল ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০

**সমাপ্ত**